# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 09-03-2025
**Time :** 13-40 hrs

ASSAMESE MIDDAY BULLETIN
**HEADLINES**
**:::::::::::::::::::**

১। সংসদৰ বাজেট অধিবেশনৰ দ্বিতীয় পৰ্যায় কাইলৈ আৰম্ভ হ'ব। ৪ এপ্ৰিললৈ চলিবলগীয়া এই অধিবেশনত ২০ খন বৈঠক অনুষ্ঠিত হ'ব।

২। শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে বিভিন্ন সংস্থাত কাম কৰা শ্ৰমিকসকলক আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ উপকাৰ লাভ কৰাৰ বাবে ই-শ্ৰম প'ৰ্টেলত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

৩। গাজাত যুদ্ধবিৰতি নৱীকৰণ আৰু পেলেষ্টাইনী সশস্ত্ৰ সংগঠন হামাচৰ হাতত থকা ইজৰাইলৰ পনবন্দীসকলৰ মুক্তি নিশ্চিত কৰাৰ বাবে আলোচনা আগবঢ়াই নিবলৈ ইজৰাইলে কাইলৈ কাটাৰৰ ৰাজধানী দোহালৈ এটা প্ৰতিনিধি দল প্ৰেৰণ কৰিব।

*আৰু*

৪। ভাৰত আজি ডুবাইত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সংসদৰ বাজেট অধিবেশনৰ দ্বিতীয় পৰ্যায় কাইলৈ আৰম্ভ হ'ব। ৪ এপ্ৰিললৈ চলিবলগীয়া এই অধিবেশনত ২০ খন বৈঠক অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ২০২৫-২৬ বৰ্ষৰ দাবীমঞ্জুৰী প্ৰস্তাৱ আৰু আনুসংগিক বিনিয়োজন বিধেয়ক সন্দৰ্ভত আলোচনা আৰু ভোটদান হ'ব। ইয়াৰ উপৰি বেংকিং আইন সংশোধনী বিধেয়ক, উপকূলীয় নৌ পৰিবহন বিধেয়ক, ত্ৰিভূৱন চহকাৰী বিশ্ববিদ্যালয় বিধেয়ক, প্ৰব্ৰজন তথা বিদেশী বিধেয়ক ২০২৫ আৰু ৰেলৱে সংশোধনী বিধেয়ককে ধৰি কেইবাখনো বিধেয়ক আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় ৩১ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হৈছিল। অধিৱেশনৰ আৰম্ভণিতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিছিল আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অধিৱেশনৰ প্ৰথম পৰ্যায়ত কেন্দ্ৰীয় বাজেট উত্থাপন কৰিছিল। প্ৰথম পৰ্যায়ত লোকসভাত প্ৰায় কাম-কাজ সম্পাদনৰ হাৰ ১১২ শতাংশ আছিল।

০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে ভাৰতে অৰ্থনৈতিক বিকাশৰ প্ৰসাৰ আৰু মশৃন যোগান শৃংখল নিশ্চিত কৰাৰ বাবে আমেৰিকাৰ সৈতে এটা ভাল বাণিজ্য চুক্তিৰ আশা কৰিছে। তেওঁ লগতে কয়, যে ভাৰতে সুলভ মূল্যৰ আমদনিৰ ওপৰত নিৰ্ভৰশীল ঘৰুৱা উদ্যোগসমূহৰ স্বাৰ্থ সুৰক্ষিত কৰিব।

০০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে বিভিন্ন সংস্থাত কাম কৰা শ্ৰমিকসকলক আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ উপকাৰ লাভ কৰাৰ বাবে ই-শ্ৰম প'ৰ্টেলত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তৰ ৩১ হাজাৰৰো অধিক তালিকাভুক্ত ৰাজহুৱা আৰু ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাৰ বাবে প্ৰতিটো পৰিয়ালক বছৰি ৫ লাখ টকাৰ স্বাস্থ্য বীমা প্ৰদান কৰা হ'ব। দেশৰ অৰ্থব্যৱস্থাৰ অস্থায়ী-স্বনিয়োজিত শ্ৰমিক আৰু অনলাইন মঞ্চৰ হৈ কাম কৰা ব্যক্তিসকলৰ অৱদানৰ কথা স্বীকাৰ কৰি ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই ব্যক্তিসকলৰ বাবে ই-শ্ৰম প'ৰ্টেলত নাম পঞ্জীয়ন, পৰিচয় পত্ৰ জাৰি কৰা আৰু স্বাস্থ্য সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। বাজেটত কৰা এই ঘোষণা সমূহ ৰূপায়ণ কৰাৰ উদ্দেশ্যে শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে শীঘ্ৰে এখন আঁচনি আৰম্ভ কৰিব।

ooooo

ভাৰতে শেহতীয়া দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ অধীনত অষ্ট্ৰেলিয়া, সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰ-ইউ এ ই, ছুইজাৰলেণ্ড আৰু ন'ৰোৱেৰ লেখীয় উন্নয়নশীল দেশসমূহৰ বাবে প্ৰযোজ্য গড় শুল্ক যথেষ্ট হ্ৰাস কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে ইউৰোপীয় সংঘ আৰু ব্ৰিটেইনসহ অন্য সহযোগী ৰাষ্ট্ৰসমূহৰ সৈতেও এই সন্দৰ্ভত আলোচনা চলি আছে। আমেৰিকাৰ সৈতেও অনুৰূপ আলোচনা অব্যাহত থকা বুলি সূত্ৰই প্ৰকাশ কৰিছে।

যোৱা ফেব্ৰুৱাৰীত ভাৰত আৰু আমেৰিকাই চলিত বৰ্ষৰ শেষ ভাগলৈ পাৰস্পৰিক বহুমুখী দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ প্ৰথম পৰ্যায় সম্পৰ্কে আলোচনা কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে এই আলোচনা আগবঢ়াই নিয়াৰ বাবে জ্যেষ্ঠ প্ৰতিনিধিক মনোনীত কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। সেই অনুসৰি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে এই সপ্তাহত ৱাশ্বিংটন ভ্ৰমণ কৰে আৰু আমেৰিকাৰ বাণিজ্য মন্ত্ৰী তথা দেশখনৰ বাণিজ্য জগতৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে মৰিছাচলৈ যাব। নতুন দিল্লীত কালি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয়, যে এয়া হ'ব ২০১৫ চনৰ পাছৰে পৰা প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথম মৰিছাচ ভ্ৰমণ। কেইবা শতিকা ধৰি উমৈহতীয়া ইতিহাস, সংস্কৃতি আৰু জনসম্পৰ্কৰ ভিত্তিত মৰিছাচৰ সৈতে ভাৰতৰ ঘনিষ্ঠ সম্পৰ্ক আছে বুলি বিদেশ সচিবগৰাকীয়ে উল্লেখ কৰে। শ্ৰী মিশ্ৰীয়ে মৰিছাচক ভাৰত মহাসাগৰ অঞ্চলত ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগী আৰু ঘনিষ্ঠ সামুদ্ৰিক প্ৰতিবেশী বুলি অভিহিত কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে ২০১৫ চনত অঞ্চলটোৰ সকলোৰে সুৰক্ষা আৰু বিকাশৰ লক্ষ্যৰে মৰিছাচতে সাগৰ দৃষ্টিভংগীৰ কথা প্ৰকাশ কৰিছিল। এই দৃষ্টিভংগীয়ে ভাৰত মহাসাগৰ অঞ্চলৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা সূচায় বুলি শ্ৰী মিশ্ৰীয়ে উল্লেখ কৰে। মৰিছাচৰ সৈতে থকা ভাৰতৰ শক্তিশালী উন্নয়ন সহযোগিতাৰ বিষয়ে উল্লেখ কৰি বিদেশ সচিবগৰাকীয়ে কয়, যে যোৱা এটা দশকত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক গভীৰ হৈ উঠিছে। প্ৰধানমন্ত্ৰীৰ আসন্ন ভ্ৰমণে দুয়োখন ৰাষ্ট্ৰকে এই সহযোগিতা সুদৃঢ় কৰাৰ আৰু পৰ্যালোচনা চলোৱাৰ সুযোগ প্ৰদান কৰিব বুলি বিদেশ সচিবগৰাকীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত মৰিছাচৰ ৰাষ্ট্ৰীয় দিৱসৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ এটা দল, নৌ সেনা বাহিনীৰ এখন জাহাজ আৰু বায়ু সেনাৰ আকাশ গংগা স্কাই ডাইভিং দলে এই দিৱসৰ অনুষ্ঠানত ভাগ ল'ব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণকালত মৰিছাচৰ ৰাষ্ট্ৰপতি ধৰমবীৰ গোখুলক সাক্ষাৎ কৰিব। তেওঁ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলামৰ লগতে

বিশিষ্ট ব্যক্তি আৰু নেতাসকলক সাক্ষাৎ কৰিব। তেওঁ লগতে দেশখনত বাস কৰা ভাৰতীয় মূলৰ লোকৰ সৈতেও আলোচনাত মিলিত হ'ব। ভ্ৰমণকালত শ্ৰী মোদীয়ে ভাৰতীয় অনুদানেৰে নিৰ্মাণ কৰা অসামৰিক সেৱা মহাবিদ্যালয় আৰু ক্ষেত্ৰ স্বাস্থ্য কেন্দ্ৰও মুকলি কৰিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণকালত দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

ooooo

গাজাত যুদ্ধবিৰতি নৱীকৰণ আৰু পেলেষ্টাইনী সশস্ত্ৰ সংগঠন হামাচৰ হাতত থকা ইজৰাইলৰ পনবন্দীসকলৰ মুক্তি নিশ্চিত কৰাৰ বাবে আলোচনা আগবঢ়াই নিবলৈ ইজৰাইলে কাইলৈ কাটাৰৰ ৰাজধানী দোহালৈ এটা প্ৰতিনিধি দল প্ৰেৰণ কৰিব। ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিত কয় যে, টেল আভিভে আমেৰিকাৰ সমৰ্থনত মধ্যস্থতাকাৰী দেশসমূহৰ আমন্ত্ৰণ গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে শনিবাৰে হামাচে কয় যে গাজাত যুদ্ধবিৰতিৰ চুক্তিৰ দ্বিতীয় পৰ্যায়ৰ আলোচনা সন্দৰ্ভত ইতিবাচক লক্ষণ দেখা গৈছে।

হামাচৰ মুখপাত্ৰ আব্দুল লতিফ আল কানৌয়ে এটা প্ৰেছ বিবৃতিত  কয়, যে যুদ্ধবিৰতি চুক্তিখন কাৰ্যকৰী কৰাটো চূড়ান্ত কৰিবলৈ ইজিপ্ত আৰু কাটাৰৰ মধ্যস্থতাকাৰীসকলৰ প্ৰচেষ্টা অব্যাহত আছে আৰু ইয়াৰ দ্বিতীয় পৰ্যায়ৰ আলোচনাও ইতিমধ্যে আৰম্ভ হৈছে।  যোৱা সপ্তাহৰ শেষৰ ফালে সমাপ্ত  হোৱা প্ৰথম পৰ্যায়ৰ সময়সীমা বৃদ্ধি আৰু স্থায়ী যুদ্ধবিৰতি আলোচনাৰ প্ৰতিশ্ৰুতি দিয়াৰ বিনিময়ত বাকী থকা পনবন্দীসকলক মুকলি কৰি দিবলৈ হামাচক দিয়া হেঁচাৰ পৰিপ্ৰেক্ষিতত এই সময়ছোৱাত ইজৰাইলে গাজা আৰু ইয়াৰ ২০ লাখৰো অধিক লোকৰ বাবে সকলো যোগান বন্ধ কৰি দিছিল। এতিয়ালৈকে হামাচৰ ২৪ জীৱিত পনবন্দী আৰু আন ৩৪ জনৰ মৃতদেহ থকাৰ কথা সন্দেহ কৰা হৈছে। অৱশ্যে পেলেষ্টাইনে গোটে জানিবলৈ দিয়ে যে, এই পদক্ষেপে বাকী থকা পনবন্দীসকলকো প্ৰভাৱিত কৰিব। প্ৰথম পৰ্যায়ত প্ৰায় দুহেজাৰ পেলেষ্টাইনী বন্দীক মুকলি কৰি দিয়াৰ বিনিময়ত ২৫ জন জীৱিত পনবন্দী আৰু আন ৮ জনৰ মৃতদেহ ঘূৰাই অনাৰ অনুমতি দিয়া হৈছিল। এই যুদ্ধবিৰতিৰ ফলত হামাচৰ নেতৃত্বত চলা সন্ত্ৰাসবাদী আক্ৰমণৰ ফলত ইজৰাইল আৰু হামাচৰ মাজত এতিয়ালৈকে হোৱা আটাইতকৈ মাৰাত্মক আৰু ধ্বংসাত্মক যুদ্ধখন দক্ষিণ ইজৰাইলত ২০২৩ চনৰ ৭ অক্টোবৰত  বন্ধ হয়।

ooooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ক কালি নিশা অসুস্থতাজনিত কাৰণত  নতুন দিল্লীত অৱস্থিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান অৰ্থাৎ এইমছত ভৰ্তি কৰোৱা হয়। অৱশ্যে উপৰাষ্ট্ৰপতি শ্ৰীধনখড়ৰ অৱস্থা বৰ্তমান সুস্থিৰ বুলি জানিব পৰা গৈছে।

ooooo

ভাৰতে কেলিফৰ্ণিয়াৰ চিনো হিলছৰ হিন্দু মন্দিৰত সংঘটিত বৰ্বৰ কাৰ্যকলাপক গৰিহণা দিছে। সংবাদ মাধ্যমৰ এক প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে মন্ত্ৰালয়ে স্থানীয় আইন প্ৰয়োগকাৰী কৰ্তৃপক্ষক এই কাৰ্যৰ বাবে দায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে উপাসনা স্থানসমূহৰ পৰ্যাপ্ত নিৰাপত্তা নিশ্চিত কৰাৰ বাবেও অনুৰোধ জনায়।

ooooo

ওড়িশাৰ প্ৰাক্তন মন্ত্ৰী অনন্ত দাসৰ আজি নিচেই পুৱা ভূৱনেশ্বৰৰ নিজ বাসভৱনত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত ৮৫ বছৰ বয়সত মৃত্যু হোৱা অনন্ত দাস বিজু জনতা দলৰ নেতা আছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অনন্ত দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে বিজু জনতা  দলৰ প্ৰয়াত নেতাগৰাকীয়ে ওড়িশাৰ জনসাধাৰণৰ কল্যাণৰ হকে যথেষ্ট কাম কৰিছিল। তেওঁ অনন্ত দাসৰ পৰিয়াল তথা সমৰ্থকসকললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০

ক্ৰিকেট বিশ্বৰ দুটাকৈ শক্তিশালী দল ভাৰত আৰু নিউজিলেণ্ডৰ মাজত ডুবাইত আজি হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ বাবে সমগ্ৰ  বিশ্বৰ ক্ৰিকেটপ্ৰেমী অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে। খেলখন দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত হ'ব। অধিনায়ক ৰোহিত শৰ্মাই অপ্ৰতিৰুদ্ধ ভাৰতীয় দলৰ নেতৃত্ব দিয়াৰ বিপৰীতে অধিনায়ক মিছেল ছেণ্টনাৰৰ নেতৃত্বত নিউজিলেণ্ড দলটো ফাইনেলৰ বাবে সম্পূৰ্ণ সাজু হৈছে। ইতিমধ্যে ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামৰ বাহিৰত উপস্থিত থকা দুয়োখন দেশৰ সমৰ্থক আৰু ক্ৰীড়াপ্ৰেমীৰ  মাজত ব্যাপক উৎসাহ আৰু উত্তেজনা দেখা গৈছে।

ইয়াৰ পূৰ্বে ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত এদিনীয়া আন্তৰাষ্ট্ৰীয় খেলসমূহে ফাইনেল খেলখনক অধিক ৰোমাঞ্চকৰ কৰি তুলিছে। ভাৰতে যোৱা মঙলবাৰে অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ খেলত নিউজিলেণ্ডক ৪৪ ৰাণত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।  বেটিং আৰু বলিং দুয়োটাতে আগবঢ়োৱা সুন্দৰ প্ৰদৰ্শনৰ জৰিয়তে ভাৰতে গ্ৰুপ পৰ্যায়ৰ পইণ্ট তালিকাত নিজৰ স্থান সুদৃঢ় কৰি তুলিছিল।  ভাৰতীয় দলৰ উপ অধিনায়ক শুভমন গীলে কালি এখন সংবাদমেলত  কয়, যে ২০২৪ চনৰ টি-টুৱেণ্টি বিশ্বকাপৰ জয়ে দলটোক কিছু পৰিমাণে ছাপমুক্ত কৰি ৰখাত সহায় কৰিছে। ইপিনে, নিউজিলেণ্ডৰ অধিনায়ক মিছেল চেণ্টনাৰে সাংবাদিকক জনাই যে, আজিৰ খেলত  নিউজিলেণ্ড দলটোৱে ভাৰতৰ বিৰুদ্ধে সুন্দৰ প্ৰদৰ্শন আগবঢ়াব।

০০০০

সমাপ্ত